**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-10-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

অসমত অহা ১৩ নৱেম্বৰত পাঁচটা বিধানসভা সমষ্টিত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। উপ-নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰাৰ অন্তত ধলাই সমষ্টিত ৯-গৰাকী, ছিদলী সমষ্টিত ৩গৰাকী, বঙাইগাঁও সমষ্টিত ৮গৰাকী, বিহালী সমষ্টিত ৪গৰাকী প্ৰাৰ্থীৰ ভিতৰত আটাইকেইগৰাকী প্ৰাৰ্থীৰেই মনোনয়ন গৃহীত হয়। আনহাতে চামগুৰি সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে মনোনয়ন দাখিল কৰা ১১গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ বিবেচিত হোৱাৰ লগতে তিনিগৰাকীৰ মনোনয়ন নাকচ হৈছে। ধলাই সমষ্টিৰ নিৰ্দলীয় প্ৰাৰ্থী অমিয় কান্তি দাসে ইতিমধ্যে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিছে।

০০০০০০

ভাৰতীয় ৰে'লৱেই দীপাৱলী আৰু ষট পূজা উপলক্ষে জনসাধাৰণৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি হাজাৰৰো অধিক বিশেষ ৰে'ল চলাচলৰ ব্যৱস্থা কৰিছে। যাত্ৰীৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি বিগত বৰ্ষৰ তুলনাত চলিত বৰ্ষত ২ হাজাৰ ৫০০ৰো অধিক বিশেষ ৰে'লৰ ব্যৱস্থা কৰিছে। আনহাতে উত্তৰ-পূব সীমান্ত ৰে'লৱেও দীপাৱলী আৰু ষট পূজা উপলক্ষে উত্তৰ-পূবত কেইবাখনো বিশেষ ৰে'লৰ ব্যৱস্থা কৰিছে। এই সন্দৰ্ভত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া কপিঞ্জল কিশোৰ শৰ্মাই এইদৰে কয়-

**বাইট**

০০০০০০

সমগ্ৰ দেশজুৰি পোহৰৰ উৎসৱ দীপাৱলী উৎসাহ-উদ্দীপনাৰে পালন কৰাৰ বাবে প্ৰস্তুতি চলা পৰিলক্ষিত হৈছে। ৰাম জনমভূমি মন্দিৰতো প্ৰথম দীপাৱলী উৎসৱৰ আয়োজন প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। অযোধ্যাত ২৮ লাখ বন্তি প্ৰজ্বলনেৰে নতুন বিশ্ব অভিলেখ গঢ়াৰ প্ৰস্তুতি সম্পূৰ্ণ হোৱা বুলি জানিব পৰা গৈছে। ৰাম মন্দিৰ চৌহদত এইবাৰ উদযাপন কৰিবলগীয়া দীপাৱলী উৎসৱ বিশেষভাৱে ব্যতিক্ৰম হ'ব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মত প্ৰকাশ কৰিছে। অযোধ্যাত নৱনিৰ্মিত ৰাম মন্দিৰৰ মহাঅভিষেকৰ পাছৰ **দীপোৎসৱ ২০২৪** হিচাপে উদযাপন কৰিবলগীয়া এই প্ৰথমটো দীপাৱলীৰ বাবে উত্তৰ প্ৰদেশ চৰকাৰে বিশেষ কাৰ্যসূচী ৰূপায়ণ কৰিব। সৰযু নৈৰ পাৰত ২৮ লাখ চাকি প্ৰজ্বলন কৰি ৰাম মন্দিৰ পোহৰাই তোলা হ'ব বুলি প্ৰকাশ কৰা হৈছে।

০০০০০০০

গুৱাহাটী মহানগৰীৰ দীঘলীপুখুৰী পাৰৰ বহু পুৰণি গছ কটাৰ সিদ্ধান্তৰ বিৰুদ্ধে সচেতন ৰাইজে প্ৰতিবাদ কৰাৰ পাছতে ঐতিহ্য আৰু পৰিৱেশ সংৰক্ষণৰ বিষয়টো মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গুৰুত্ব সহকাৰে লৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে কয় যে দীঘলীপুখুৰীৰ পৰা নুনমাটিলৈ উৰণ সেতু নিৰ্মাণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে অঞ্চলটোৰ পুৰণি গছবোৰ সুৰক্ষিত ৰখাৰ বাবে কাম কৰি আহিছে। এটা বিকল্প প্ৰস্তাৱৰ সন্ধান আৰু ইয়াৰ সম্ভাৱনা মূল্যায়ন কৰাৰ বাবে লোকনিৰ্মাণ বিভাগক কেইদিনমান সময় দিবলৈ মুখ্যমন্ত্ৰীগৰাকীয়ে সকলোকে আহ্বান জনায়। তেওঁ লগতে কয় যে ৰাজ্য চৰকাৰে আন্তঃগাঁথনি আগুৱাই নিয়াৰ সমান্তৰালকৈ গুৱাহাটীৰ ঐতিহ্য আৰু পৰিৱেশ সংৰক্ষণৰ দিশত গুৰুত্ব দি আহিছে।

০০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত অহা ১ নৱেম্বৰৰ পৰা পৰ্যটকৰ বাবে হাতী ছাফাৰী মুকলি কৰা হ'ব। ইতিমধ্যে হাতীৰ ছাফাৰীৰ বাবে হাতীৰ স্বাস্থ্য পৰীক্ষা, মাউতৰ প্ৰশিক্ষণকে ধৰি যাৱতীয় সকলো কাম-কাজ সম্পন্ন কৰা হৈছে। কঁহৰা বনাঞ্চলত বন বিভাগৰ ১০টা পোহনীয়া হাতী আৰু বাগৰি বনাঞ্চলত প্ৰায় ৫০ হাতীৰ পঞ্জীয়ন কৰা হৈছে। ইপিনে, নামেৰী ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত প্ৰকল্প ২০২৪-২৫ বৰ্ষৰ বাবে আজিৰে পৰা দেশী-বিদেশী পৰ্যটকৰ বাবে মুকলি কৰা হৈছে। পশ্চিম অসম বন্যপ্ৰাণী বিভাগৰ বন সংৰক্ষক তথা নামেৰী ব্যাঘ্ৰ সংৰক্ষণ ক্ষেত্ৰ পৰিচালকে এই বিষয়ে জানিবলৈ দিছে।

০০০০০০০

অসমত ২০০৮ চনৰ ৩০ অক্টোবৰত সংঘটিত উগ্ৰপন্থীৰ ধাৰাবাহিক বোমা বিস্ফোৰণৰ ঘটনাৰ আজি ১৬ বছৰ সম্পূৰ্ণ হৈছে। গুৱাহাটী, কোকৰাঝাৰ, বঙাইগাঁও আৰু বৰপেটা ৰোডত সংঘটিত বোমা বিস্ফোৰণত বহু লোকে প্ৰাণ হেৰুৱাইছিল। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই উগ্ৰপন্থীৰ দ্বাৰা সংঘটিত ধাৰাবাহিক বোমা বিস্ফোৰণত প্ৰাণ হেৰুওৱা লোকসকললৈ গভীৰ শ্ৰদ্ধাঞ্জলি জনাইছে। সদৌ অসম ছাত্ৰ সন্থাই আজি ৰাজ্যজুৰি বোমা বিস্ফোৰণত নিহত সকললৈ বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰিছে। মহানগৰীৰ গণেশগুৰিত মৃত্যু হোৱা লোকসকললৈ শ্ৰদ্ধাঞ্জলি জনাই বন্তি প্ৰজ্বলন কৰা হয়।

০০০০০০০০

**সমাপ্ত**